**(১৯৬৬) ১ এচ. চি. আৰ. (1966) 1 S.C.R**

**ৰাজহুৱা যাত্ৰী সিমীত সেৱা**

**-বনাম-**

**এম. এ. খাদেৰ আৰু আন দুজন**

১৯৬৫ চনৰ ৩০ আগষ্ট

**(ন্যায়াধীশ কে. সুব্বা ৰাও, ন্যায়াধীশ জে. আৰ. মুধলকাৰ আৰু ন্যায়াধীশ আৰ. এছ. বাচাৱাট )**

কোম্পানী আইন (১৯৫৬ চনৰ ১), ধাৰা ১৫৫ ৰ পৰিসৰ।

বিপৰীত পক্ষসকল আপীলকাৰী কোম্পানীটোৰ শ্বেয়াৰহোল্ডাৰ আছিল। যিহেতু তেওঁলোকে তেওঁলোকৰ শ্বেয়াৰত/অংশত বিছৰা ধন আদায় দিয়া নাছিল, সেয়েহে আইনৰ অনুচ্ছেদ নং ২৯ৰ অধীনত এখন জাননী জাৰি কৰা হয় আৰু বিপৰীত পক্ষসকলে দাবী কৰা ধন পৰিশোধ নকৰাৰ বাবে তেওঁলোকৰ শ্বেয়াৰসমূহ/অংশসমূহ আইনৰ অনুচ্ছেদ ৩০ ৰ অধীনত জব্দ কৰা হয়। বিপৰীত পক্ষসকলে কোম্পানী আইন, ১৯৫৬ৰ ধাৰা ৪০২ আৰু ২৩৭ ৰ অধীনত এখন আবেদন দাখিল কৰে আৰু আপীলকাৰীয়ে শ্বেয়াৰসমূহ জব্দ কৰাৰ আগতে ধন সংগ্ৰহ স্থগিত ৰখা আৰু শ্বেয়াৰ/অংশ জব্দ কৰাত বাধা দিয়াৰ নিৰ্দেশ দিয়া অন্তৰ্বৰ্তীকালীন আদেশ লাভ কৰে; কিন্তু, নিৰ্দেশ অনুসৰি যিহেতু বিছৰা ধন আদালতত দিয়া নহ'ল, গতিকে অন্তৰ্বৰ্তীকালীন আদেশ বাতিল কৰা হয় আৰু অৱশেষত আবেদনখন খাৰিজ কৰা হ'য় ।ইয়াৰ পিছত বিপৰীত পক্ষসকলে ধাৰা ১৫৫ৰ অধীনত এখন আবেদন দাখিল কৰে আৰু আবেদনত জব্দ কৰা কাৰ্য্যটো বাতিল কৰাই শ্বেয়াৰ/অংশ পঞ্জীত প্ৰয়োজনীয় শুধৰণি কৰাৰ বাবে প্ৰাৰ্থনা কৰে। উচ্চ ন্যায়ালয়ে নিজৰ মূল পক্ষত আৰু লেটাৰ পেটেন্ট আপীলত এই আবেদন

মঞ্জুৰ কৰিছিল আৰু ৰায় দিছিল যে আইনৰ অনুচ্ছেদ ২৯ ৰ অধীনত জাৰি কৰা জাননীখন ত্ৰুটি আছিল আৰু সেয়েহে জব্দ কাৰ্য্য অবৈধ আছিল।

এই আদালতত কৰা আবেদনত,

মত পোষণ কৰা হয় যে: জব্দ কৰাটো অবৈধ আছিল আৰু সেয়েহে পৰ্যাপ্ত কাৰণ নোহোৱাকৈ বিপৰীত পক্ষসকলৰ নাম শ্বেয়াৰ পঞ্জীয়নৰ পৰা বাদ দিয়া হৈছিল আৰু ফলত উচ্চ ন্যায়ালয়ৰ ১৫৫ নং ধাৰাত কৰ্তৃত্ব আছিল, যিটো সঠিকভাৱে ব্যৱহাৰ কৰা হৈছিল। [৬৮৭ খ]।

অনুচ্ছেদ ৩০ ৰ অধীনত জব্দ কৰাৰ আগতে অনুচ্ছেদ ২৯ ৰ অধীনত এখন সঠিক জাননীৰ প্ৰয়োজন। অনুচ্ছেদ ২৯ ৰ মূল উদ্দেশ্য হ'ল শ্বেয়াৰহল্ডাৰক/অংশধাৰকক বিছৰা ধন, সুত আৰু খৰচ পৰিশোধৰ সুযোগ দিয়া। খৰচৰ বিৱৰণৰ অনুপস্থিতিত, বিপৰীতপক্ষসকলে সঠিক পৰিমাণৰ ধন জানিব পৰা অৱস্থাত নাছিল যিথিনি তেওঁলোকে দিব লগা আছিল আৰু জাননীখনৰ সেই সামান্য দোষে ইয়াক বাতিল কৰি পেলাইছিল আৰু সেয়া জব্দৰ বাবে ধ্বংসাত্মক আছিল। [৬৮৫ ঘ–ছ]।

ধাৰা ১৫৫(১)(ক)(ii) অনুসৰি শ্বেয়াৰ/অংশ পঞ্জীত প্ৰৱেশ কৰাৰ পিছত কোনো ব্যক্তিৰ নাম, পৰ্যাপ্ত কাৰণ নোহোৱাকৈ, তাৰ পৰা বাদ দিয়া হ'লে শ্বেয়াৰ/অংশ পঞ্জীত শুধৰণি কৰাৰ অনুমতি দিয়া হৈছে। এই ধাৰাটোৰ অধীনত বিষয়টো এইটো নহয় যে শ্বেয়াৰহোল্ডাৰৰ/অংশধাৰকৰ আদালতৰ কাষ চাপিবলৈ পৰ্যাপ্ত কাৰণ আছে নে নাই, বৰঞ্চ পৰ্যাপ্ত কাৰণ নোহোৱাকৈ তেওঁৰ নাম পঞ্জীয়ন পঞ্জীত বাদ দিয়া হৈছে নেকি সেয়াহে । [৬৮৬ ঘ; ৬৮৭ ক]

য'ত ইয়াৰ জটিলতাৰ কাৰণে বা অন্যথা বিষয়টো অধিক সুবিধাজনকভাৱে গোচৰত সিদ্ধান্ত ল'ব পৰা যায়, আদালতে ধাৰা ১৫৫ ৰ অধীনত সুবিধা দিয়াত

অগ্ৰাহ্য কৰিব পাৰে আৰু পক্ষসমূহক এটা গোছৰলৈ পৰিবৰ্ত্তন কৰিব পাৰে। কিন্তু সংক্ষিপ্তভাৱে ক'বলৈ গ'লে, জাননীখন ক্ৰটিপূৰ্ণ আৰু জব্দ কৰাটো অবৈধ বুলি জানি আদালতে ইচ্ছাকৃতভাৱে বিপৰীত পক্ষক সকাহ দিবলৈ অস্বীকাৰ কৰিব নোৱাৰে। অনুচ্ছেদ ৪০২ আৰু ২৩৭ ৰ অধীনত উত্তৰদাতাসকলে আৰম্ভ কৰা অযুক্তিকৰ প্ৰক্ৰিয়া আৰু অন্যান্য বিৰক্তিকৰ কাৰ্য্যবিধিসমূহৰ জব্দৰ অবৈধতা আৰু শুধৰণিৰ সকাহৰ সৈতে কোনো সম্পৰ্ক নাই আৰু এইবোৰ সকাহ অস্বীকাৰ কৰাৰ যুক্তিসংগত কাৰণ হ'লেও, সকাহ/সুবিধা প্ৰদান প্ৰত্যাখ্যান কৰাৰ বৈধ ভিত্তি নাছিল। [৬৮৮ খ–ঘ]

দেৱানী আপীল অধিকাৰক্ষেত্ৰ: ১৯৬৫ চনৰ দেৱানী আপীল নং ২০২ আৰু ২০৩।

১৯৫৯ চনৰ ৫৫ আৰু ৫৬ নং অ' এছ আপীলত মাদ্ৰাজ উচ্চ ন্যায়ালয়ৰ ১৯৬১ চনৰ ২১ ডিচেম্বৰৰ ৰায় আৰু হুকুমৰ পৰা আপীল।

কে কে ভেনুগোপাল আৰু আৰ. গোপালকৃষ্ণন, আপীলকাৰীৰ বাবে।

এ. ভি. বিশ্বনাথ শাস্ত্ৰী, পি. ৰাম. ৰেড্ডী আৰু এ. ভি. ভি. নায়াৰ, বিপৰীত পক্ষ নং ১ৰ বাবে।

আদালতে ৰায়দান প্ৰদান কৰে...

**ন্যায়াধীশ বাচাৱাট-** আপীলকাৰী হৈছে দক্ষিণ আৰ্কট জিলাত পৰিবহণ ব্যৱসায় চলোৱা এটা সীমিত কোম্পানী। ১৯৬৫ চনৰ ২০২ নং দেৱানী আপীলত বিৰোধী পক্ষ/উত্তৰদাতা এম এ খাদৰ কোম্পানীটোৰ ১৩ টা শ্বেয়াৰৰ মালিক, ১৯৬৫ চনৰ ২০৩ নং দেৱানী আপীলৰ বিৰোধী পক্ষ/উত্তৰদাতা তেওঁৰ ভাতৃ এম এ জব্বৰৰ একেটা কোম্পানীতে ১৬৩ টা শ্বেয়াৰ আছে। কোম্পানীটোৰ নিয়মাৱলীৰ ২৯ আৰু ৩০ নং অনুচ্ছেদৰ উল্লেখ কৰা হৈছে:

"২৯) জাননীখনত ভৱিষ্যতৰ এটা তাৰিখ নিৰ্দিষ্ট কৰিব লাগিব, যিটো জাননী প্ৰদানৰ পৰা সাত দিনতকৈ কম নহয়, নিৰ্দিষ্ট দিন বা তাৰ আগতে এনে সকলো বা অনাদায় ধন, পৰিশোধ নকৰাৰ কাৰণে জমা হ'ব পৰা সুত আৰু যিকোনো খৰচ, পৰিশোধ কৰিব লাগিব, য'ত ধন পৰিশোধ কৰিব লাগে সেই স্থানও উল্লেখ কৰিব লাগিব, যাৰ ভিতৰত সাধাৰণতে কোম্পানীটোৰ পঞ্জীয়নভুক্ত কাৰ্যালয় হ’ব পাৰে আৰু জাননীখনত সতৰ্ক কৰি দিব লাগে যে যদি নিৰ্দিষ্ট সময়ৰ ভিতৰত আৰু নিৰ্দিষ্ট স্থানত ধন পৰিশোধ কৰা নহয়, তেন্তে অনাদায় ধনৰ সৈতে জড়িত শ্বেয়াৰ জব্দ হ’ব পাৰে।

“ ৩০) যদি পূৰ্বতে উল্লেখ কৰা ধৰণৰ এনে কোনো জাননীৰ প্ৰয়োজনীয়তা মানি চলা নহয়, তেন্তে যাৰ শ্বেয়াৰৰ সন্দৰ্ভত এনে জাননী দিয়া হৈছে, তাৰ পিছত যিকোনো সময়তে সুত আৰু খৰচৰ সৈতে ইয়াৰ বাবে প্ৰাপ্য সকলো ধন পৰিশোধ কৰাৰ আগতে, সঞ্চালকসকলৰ এটা প্ৰস্তাৱৰ জৰিয়তে শ্বেয়াৰসমূহ জব্দ কৰিব পাৰিব।"

১৯৫৭ চনৰ ২ জানুৱাৰীত কোম্পানীটোৰ পৰিচালনা সমিতিয়ে এটা প্ৰস্তাৱ গৃহীত কৰি অনাদায় ধনৰাশি এটা শ্বেয়াৰ/অংশত ২৫ টকা বুলি কয়। ১৯৫৭ চনৰ ৩ জানুৱাৰীত শ্বেয়াৰহোল্ডাৰসকলক ১৯৫৭ চনৰ ১৯ জানুৱাৰী বা তাৰ আগতে ধন পৰিশোধ কৰিবলৈ অনুৰোধ কৰি জাননী জাৰি কৰা হয়। পাবলগীয়া ধন অনাদায় থকাৰ বাবে কোম্পানীয়ে জাৰি কৰা জাননী প্ৰতিদ্বন্দি বিপৰীত পক্ষক দিয়া হয়। যিহেতু বিছৰা ধন পৰিশোধ কৰা হোৱা নাছিল সেয়েহে আইনৰ অনুচ্ছেদ ২৯ ৰ অধীনত ১৯৫৭ চনৰ ২০ জানুৱাৰী তাৰিখে প্ৰতিবাদীসকলক তলৰ জাননী জাৰি কৰেঃ

"মহোদয়,

যিহেতু বিছৰা ধনৰ বাকী থকা ২৫/ টকাকৈ আপোনাৰ হাতত থকা প্ৰতিটো শ্বেয়াৰৰ বাবে প্ৰদান নকৰাৰ বাবে, পৰিষদৰ সিদ্ধান্ত অনুসৰি জাৰি কৰা ১৯৫৭ চনৰ ৩ জানুৱাৰী তাৰিখৰ জাননীৰ সন্দৰ্ভত মই ইয়াৰ দ্বাৰা এই জাননী জাৰি কৰি আপোনাক কোম্পানীটোৰ পঞ্জীয়নভুক্ত কাৰ্যালয়ত বিছৰা ধনৰাশি, ১৯৫৭ চনৰ ৩০ জানুৱাৰী, বুধবাৰ বা তাৰ আগতে, ছয় শতাংশ সুত আৰু এই ধন পৰিশোধ নকৰাৰ কাৰণে জমা হ'ব পৰা যিকোনো খৰচৰ সৈতে পৰিশোধ কৰিবলৈ আহ্বান জনাইছো।

লগতে এইটো মন কৰিব যে ওপৰত উল্লেখ কৰা ধৰণে ধন পৰিশোধ নকৰাৰ ক্ষেত্ৰত আপোনাৰ নামত পঞ্জীয়ন কৰা শ্বেয়াৰসমূহ, এবাৰতে চিৰদিনৰ বাবে, অনুচ্ছেদ ১৪ ৰ অধীনত কোম্পানীয়ে প্ৰদান কৰিবলগীয়া আৰু আদায় কৰিব পৰা ঋণ হিচাপে গণ্য কৰি আপোনাৰ পৰা পাবলগীয়া বেলেঞ্চৰ ধন আদায় কৰাৰ বাবে পৰৱৰ্তী জাননী অবিহনে আৰু আপোনাৰ বিৰুদ্ধে ল'ব পৰা কোনো আইনী ব্যৱস্থাৰ ক্ষতি নকৰাকৈ, জব্দ কৰা হ'ব ।

বৰ্ডৰ আদেশ অনুসৰি
(চহী কৰা) এ. আৰ. হাছেইন খান
পৰিচালন সঞ্চালক।"

এই জাননীৰ পিছতো বিপৰীত পক্ষৰ লোক সকলে বিছৰা ধন পৰিশোধ কৰা নাছিল আৰু ১৯৫৭ চনৰ ১১ ফেব্ৰুৱাৰীত পৰিচালনা সমিতিয়ে উক্ত আইনৰ অনুচ্ছেদ ৩০ ৰ অধীনত তেওঁলোকৰ হাতত থকা শ্বেয়াৰ/অংশ জব্দ কৰাৰ এটা প্ৰস্তাৱ গৃহীত কৰে । ১৯৫৭ চনৰ ৮ নৱেম্বৰত বিপৰীত পক্ষই ১৯৫৬ চনৰ ভাৰতীয় কোম্পানী আইনৰ ধাৰা ১৫৫ ৰ অধীনত মাদ্ৰাজ উচ্চ ন্যায়ালয়ত, জব্দ কৰা কাৰ্য্য বাতিল কৰিবলৈ প্ৰাৰ্থনা কৰিছিল আৰু কোম্পানীটোৰ শ্বেয়াৰ/অংশ

পঞ্জীত প্ৰয়োজনীয় শুধৰণিৰ বাবে প্ৰাৰ্থনা জনাই দুখন ভিন্ন আবেদন দাখিল কৰে। ন্যায়াধীশ ৰামচন্দ্ৰ আয়াৰে, সেই আবেদনসমূহ মঞ্জুৰ কৰিছিল আৰু পঞ্জীখন শুধৰণিৰ বাবে চৰ্তসাপেক্ষ আদেশ দিছিল আৰু তেওঁৰ সিদ্ধান্তক উচ্চ আদালতে বাহাল ৰাখিছিল। তলৰ আদালতসমূহে ৰায় দিছিল যে সুত আৰু খৰচৰ বিৱৰণৰ অভাৱত ১৯৫৭ চনৰ ২০ জানুৱাৰী তাৰিখৰ জাননীখন ত্ৰুটিপূৰ্ণ আছিল আৰু জব্দ কৰাটো অবৈধ আছিল। কোম্পানীয়ে এতিয়া এই আদালতত উচ্চ ন্যায়ালয়ে প্ৰদান কৰা প্ৰমাণ পত্ৰৰ ওপৰত আপিল কৰিছে।

কোম্পানী এটাৰ সকলো মানক অনুচ্ছেদতে বিছৰাৰ সৈতে জড়িত নিয়মসমূহে অনাদায় বিছৰা ধনৰ সুত পৰিশোধৰ বাবে নিৰ্ধাৰণ কৰা তাৰিখৰ পৰা প্ৰকৃত ধন পৰিশোধ কৰাৰ সময়লৈকে নিৰ্দিষ্ট হাৰত পৰিশোধ কৰাৰ ব্যৱস্থা কৰে, ভাৰতীয় কোম্পানী আইন, ১৯১৩ ৰ প্ৰথম তফছিলৰ টেবুল/সূচী “ক” ৰ অধিনিয়ম ১৪ চাওক, ভাৰতীয় কোম্পানী আইন, ১৯৫৬ ৰ প্ৰথম তফছিলৰ সূচী “ক” ৰ অধিনিয়ম ১৬ আৰু পালমাৰ’ৰ কোম্পানী নজিৰ, ১৭ নং সংখ্যা, প্ৰথম খণ্ড, পৃষ্ঠা ৪৩৭, আৰু এই উৎসবোৰে বিছৰা ধন আৰু জব্দ সম্পৰ্কীয় নিয়মাৱলীৰ ৰূপৰেখা প্ৰস্তুত কৰে, আপীলকাৰী কোম্পানীৰ নিয়মাৱলীৰ অনুচ্ছেদ ২৯ আৰু ৩০ ৰ দৰে।অনুচ্ছেদ ২৯ৰ আধাৰত কলৰ/বিছৰা সৈতে জড়িত একেধৰণৰ অধিনিয়মক যুক্ত কৰি পঢ়িলে আমি এইটো ধৰি ল'বলৈ কোনো অসুবিধা নাপাম যে ২০ জানুৱাৰী, ১৯৫৭ তাৰিখৰ জাননীখনত কলৰ/বিছৰা ধনৰ সুত পৰিশোধৰ বাবে নিৰ্ধাৰণ কৰা তাৰিখৰ পৰা সুত পৰিশোধ কৰিব লাগিব– অৰ্থাৎ ১৯ জানুৱাৰী, ১৯৫৭ চনৰ পৰা প্ৰকৃত ধন পৰিশোধ কৰাৰ সময়লৈকে। দুৰ্ভাগ্যজনকভাৱে কলৰ/বিছৰা ধন পৰিশোধৰ সৈতে জড়িত কোম্পানীটোৰ সকলো নিয়ম কাগজত ছপা হৈ থকা নাই আৰু বৰ্তমানৰ ৰেকৰ্ডৰ/সংগ্ৰিহৃত অৱস্থাত নাই

সেয়েহে আমি সুতৰ দাবীৰ ক্ষেত্ৰত জাননীখন ক্ৰুটিপূৰ্ণ নেকি সেই প্ৰশ্নৰ ওপৰত কোনো মতামত প্ৰকাশ কৰা নাই।

কিন্তু আমি উষ্চ ন্যায়ালয়ৰ সৈতে একমত যে খৰচৰ দাবীৰ ক্ষেত্ৰত জাননীখন ক্ৰুটিপূৰ্ণ কাৰণ কোম্পানীয়ে ধন পৰিশোধ নকৰাৰ বাবে কৰা খৰচৰ পৰিমাণ প্ৰকাশ কৰা নাছিল। খৰচৰ হিচাপত কিমান দিব লাগে সেই বিষয়ে বিপৰীত পক্ষসকলক জনোৱা হোৱা নাছিল।আইনৰ অনুচ্ছেদ ২৯ ৰ অধীনত জাননীৰ উদ্দেশ্য হ'ল শ্বেয়াৰহোল্ডাৰক/অংশধাৰক সকলক বিছৰা/কলৰ ধন, সুত আৰু খৰচ পৰিশোধৰ বাবে সুযোগ দিয়া। আইনৰ অনুচ্ছেদ ৩০ ৰ অধীনত জাননী জাৰি কৰি অনুচ্ছেদসমূহৰ সৈতে পৰিচিত বুলি অনুমান কৰা শ্বেয়াৰহোল্ডাৰক/অংশধাৰকক পৰ্যাপ্ত তথ্য প্ৰকাশ কৰিব লাগিব যাৰ পৰা তেওঁ নিশ্চিতভাৱে জানিব পাৰে যে তেওঁ জব্দৰ পৰা হাত সাৰিবলৈ কিমান পৰিমাণৰ ধন দিব লাগিব। খৰচৰ বিৱৰণৰ অভাৱত বিপৰীতপক্ষ সকলে খৰচৰ হিচাপত কিমান নিৰ্দিষ্ট পৰিমাণৰ ধন দিব লাগিছিল সেই বিষয়ে জানিব পৰা অৱস্থাত নাছিল। আইনৰ অনুচ্ছেদ ২৯ ৰ অধীনত এখন সঠিক জাননী অনুচ্ছেদ ৩০ ৰ অধীনত কৰিবলগীয়া জব্দৰ নজিৰ/মানিবলগীয়া চৰ্ত। সেয়েহে অনুচ্ছেদ ২৯ৰ অধীনত দিয়া জাননীখন ক্ৰুটিপূৰ্ণ, আৰু নজিৰ/মানিবলগীয়া চৰ্ত মানি চলা হোৱা নাই। জাননীখনৰ এই সামান্য দোষে ইয়াক বাতিল কৰে আৰু জব্দৰ বাবে গুৰুতৰ। সেয়েহে তলৰ আদালতসমূহে জব্দ কৰাটো অবৈধ বুলি সঠিকভাৱে ঘোষণা কৰিছিল।

ভাৰতীয় কোম্পানী আইনৰ ধাৰা ১৫৫(১)(ক)(ii) ত শ্বেয়াৰ/অংশ পঞ্জীত প্ৰৱেশ কৰাৰ পিছত কোনো ব্যক্তিৰ নাম পৰ্যাপ্ত কাৰণ নোহোৱাকৈ বাদ দিলে, শ্বেয়াৰ/অংশ পঞ্জী শুধৰণিৰ অনুমতি দিয়া হৈছে। পঞ্জীত

শ্বেয়াৰহোল্ডাৰৰ/অংশধাৰকৰ নাম বাদ দিয়াৰ কোনো পৰ্যাপ্ত কাৰণ নাই, য'ত বাদ পৰাৰ কাৰণে তেওঁৰ শ্বেয়াৰসমূহ/অংশসমূহ অবৈধভাৱে জব্দ কৰা হয়, আৰু জব্দ কৰাটো অবৈধ বুলি ধৰা পৰিলে, আইনৰ অনুচ্ছেদ ১৫৫ ৰ অধীনত আদালতৰ পঞ্জীয়নত শুধৰণিৰ নিৰ্দেশ দিয়াৰ যথেষ্ট অধিকাৰ আছে। উচ্চ ন্যায়ালয়ে কয় যে শ্বেয়াৰহোল্ডাৰে/অংশধাৰকে অনুচ্ছেদ  ১৫৫ ৰ অধীনত আদালতৰ কাষ চাপিব পাৰে যদিহে তেওঁৰ পৰ্যাপ্ত কাৰণ থাকে। এই প্ৰকাশৰ ধৰণ আপীলকাৰীৰ অধিবক্তাই সঠিকভাৱে সমালোচনা কৰিছিল। ধাৰা ১৫৫(১)(ক)(ii) অনুসৰি বিষয়টো শ্বেয়াৰহোল্ডাৰৰ পৰ্যাপ্ত কাৰণ আছে নে নাই সেয়া নহয় বৰঞ্চ পৰ্যাপ্ত কাৰণ নোহোৱাকৈ তেওঁৰ নাম পঞ্জীয়নৰ পৰা বাদ দিয়া হৈছে নে নাই সেয়াহে। যিহেতু জব্দ কৰাটো অবৈধ, সেয়েহে পৰ্যাপ্ত কাৰণ নোহোৱাকৈ শ্বেয়াৰ/অংশ পঞ্জীৰ পৰা উত্তৰদাতাসকলৰ নাম বাদ দিয়া হৈছিল আৰু ১৫৫ নং ধাৰাত আদালতৰ অধিকাৰক্ষেত্ৰ প্ৰযোজ্য।

আপীলকাৰীৰ অধিবক্তাই যুক্তি দিছিল যে ১৯৫৭ চনৰ ২০ জানুৱাৰীৰ জাননীখনৰ অবৈধতাৰ বিষয়টো উত্তৰদাতাসকলৰ বাবে উপলব্ধ নাছিল কাৰণ তেওঁলোকে নিজৰ আবেদনত এই কথাটো উত্থাপন কৰা নাছিল। আবেদনৰ সমৰ্থনত দিয়া শপতনামাত উত্তৰদাতাসকলে আবেদন জনাইছে যে জব্দ হ'ব পৰাৰ পূৰ্বে নিৰ্ধাৰিত পদক্ষেপসমূহ মানি চলা হোৱা নাই। আৰু কোনো বিৱৰণ দিয়া হোৱা নাছিল কিন্তু ১৯৫৭ চনৰ ২০ জানুৱাৰী তাৰিখৰ জাননীখনৰ অবৈধতাৰ বিষয়ে যুক্তি প্ৰথম আদালতত দিয়া শুনানিত স্পষ্টভাৱে উত্থাপন কৰা হৈছিল। তেতিয়া কোনো আপত্তি নোহোৱাকৈ এই বিবাদ উত্থাপন কৰিবলৈ দিয়া হৈছিল। তেতিয়া আপত্তি উত্থাপন কৰা হ'লে হয়তো আদালতে উত্তৰদাতাসকলক আন

এখন শপতনামা দাখিল কৰিবলৈ অনুমতি দিলেহেঁতেন। আপীলকাৰীয়ে এতিয়া অভিযোগ কৰিব নোৱাৰে যে আবেদনসমূহ/যুক্তিসমূহ অস্পষ্ট আছিল।

আমি এতিয়া সুবিধাজনকভাৱে উনুকিয়াব বিছাৰিছো ১৯৫৭ চনৰ ২ জানুৱাৰীত পৰিচালকসকলে ধন বিছৰা (কল মানি) ৰ সিদ্ধান্ত লোৱা আৰু ১৯৫৭ চনৰ ১১ ফেব্ৰুৱাৰীত শ্বেয়াৰ জব্দ হোৱাৰ মাজত ঘটা পৰিঘটনাবোৰৰ বিষয়ে। ১৯৫৭ চনৰ ১৮ জানুৱাৰীত এম. এ. জব্বাৰ, এম. এ. খাদিৰ আৰু অন্যান্য শ্বেয়াৰহোল্ডাৰসকলে/অংশধাৰকসকলে মাদ্ৰাজ উচ্চ ন্যায়ালয়ত ১৯৫৭ চনৰ ১১৯ নং আবেদন দাখিল কৰিছিল ভাৰতীয় কোম্পানী আইন, ১৯৫৬ ৰ ধাৰা নং ৪০২ আৰু ২৩৭ৰ অধীনত সকাহ বিচাৰি  আৰু তেওঁলোকে এক অন্তৰ্বৰ্তীকালীন আদেশ লাভ কৰিছিল যিয়ে ৩ জানুৱাৰী, ১৯৫৭ তাৰিখৰ জাননী অনুসৰি টকা সংগ্ৰহ স্থগিত ৰাখিছিল। ১৯৫৭ চনৰ ২০ জানুৱাৰী তাৰিখৰ জব্দকৰাৰ জাননী জাৰি কৰাৰ পিছত, ২১ জানুৱাৰী, ১৯৫৭ তাৰিখে, স্থগিতাদেশটো পৰিচালকসকলক জনোৱা হৈছিল। ১৯৫৭ চনৰ ৩০ জানুৱাৰীত আদালতে শ্বেয়াৰসমূহ/অংশসমূহ জব্দ কৰাত বাধা আৰোপ কৰি সংশোধিত অন্তৰ্বৰ্তীকালীন আদেশ জাৰি কৰে আৰু এম. এ. জব্বাৰক বিছৰা ধন এসপ্তাহৰ ভিতৰত আদালতত জমা দিবলৈ নিৰ্দেশ দিয়ে। বিছৰা ধন আদালতত দিয়া হোৱা নাছিল আৰু ১৯৫৭ চনৰ ৮ ফেব্ৰুৱাৰীত আদালতে দিয়া স্থগিতাদেশৰ আদেশ খাৰিজ কৰে। ১৯৫৭ চনৰ ১১৯ নং আবেদনখনো অৱশেষত ১৯৫৭ চনৰ ১০ এপ্ৰিলত খাৰিজ কৰা হয়। আপীলকাৰীৰ অধিবক্তাই দাবী কৰে যে (১) পূৰ্বতে উল্লেখ কৰা কাৰ্য্যবিধিৰ কাৰণে প্ৰতিবাদীসকলে জব্দকৰণক প্ৰত্যাহ্বান জনোৱাৰ অধিকাৰ এৰি দিয়ে আৰু পৰিত্যাগ কৰে; (২)১৯৫৭ চনৰ ৩০ জানুৱাৰীৰ এই আদেশে ১৯৫৭ চনৰ ২০ জানুৱাৰীৰ পৰা আৰম্ভ হোৱা জব্দৰ মূল জাননীখনৰ ঠাইত ২৯ নং অনুচ্ছেদৰ অধীনত

নতুন জাননী দিয়া হয়।যিহেতু এই নতুন আদেশ মানি চলা হোৱা নাছিল, গতিকে জব্দকৰণক বৈধ বুলি গণ্য কৰা হয়।কোনো এটা বিষয়ৰ বিবাদেই তলৰ আদালতত উত্থাপন হোৱা নাছিল। ১৯৫৭ চনৰ ১১৯ নং আবেদনৰ কাৰ্য্যবিধিত আমি একোৱেই নাপাওঁ য'ত আমি অনুমান কৰিব পাৰো যে উত্তৰদাতাসকলে ১৯৫৭ চনৰ ২০ জানুৱাৰী তাৰিখৰ জাননীখনৰ বৈধতাক প্ৰত্যাহ্বান জনোৱাৰ অধিকাৰ আৰু তাৰ পিছৰ জব্দকৰণক প্ৰত্যাহ্বান জনোৱাৰ অধিকাৰৰ পৰা ৰেহাই বা পৰিত্যাগ কৰিছে। ১৯৫৭ চনৰ ৩০ জানুৱাৰীৰ আদালতৰ আদেশক ২৯ নং অনুচ্ছেদৰ অধীনত কেনেকৈ জাননী বুলি গণ্য কৰিব পাৰি সেয়াও আমি বুজিব নোৱাৰো। অনুচ্ছেদ ২৯ ৰ অধীনত একমাত্ৰ জাননী হৈছে ২০ জানুৱাৰী ১৯৫৭ ৰ তাৰিখৰ জাননীখন আৰু সেই জাননীখন ক্ৰুটিপূৰ্ণ হোৱাৰ বাবে জব্দ কৰাটো অবৈধ।

আপীলকাৰীৰ অধিবক্তাই দাবী কৰিছিল যে ধাৰা ১৫৫ বিবেচনাধীন, আৰু আদালতে নিজৰ বিবেচনাৰ ব্যৱহাৰত সকাহ দিবলৈ অস্বীকাৰ কৰা উচিত আছিল।এতিয়া, য'ত ইয়াৰ জটিলতাৰ কাৰণে বা অন্যথা বিষয়টো অধিক সুবিধাজনকভাৱে গোছৰত সিদ্ধান্ত ল'ব পৰা যায়, আদালতে ধাৰা ১৫৫ ৰ অধীনত সকাহ দিব নালাগিছিল আৰু পক্ষসমূহক এটা গোছৰলৈ পৰ্যবসিত কৰিব লাগিছিল। কিন্তু ১৯৫৭ চনৰ ২০ জানুৱাৰী তাৰিখৰ জাননীখনৰ অবৈধতাৰ বিষয়টো ভালদৰে সিদ্ধান্ত ল’ব পৰা যাব আৰু তলৰ আদালতসমূহে সঠিকভাৱে ধাৰা ১৫৫ ৰ অধীনত সকাহ দিবলৈ সিদ্ধান্ত লৈছিল। জাননীখন ক্ৰুটিপূৰ্ণ আৰু জব্দ কৰাটো অবৈধ বুলি পোৱা পিচত, আদালতে ইচ্ছাকৃতভাৱে উত্তৰদাতাসকলক সকাহ দিবলৈ অস্বীকাৰ কৰিব নোৱাৰিলে।

আপীলকাৰীৰ অধিবক্তাই আঙুলিয়াই দিয়ে যে উত্তৰদাতাসকল আপীলকাৰীৰ বাণিজ্যিক প্ৰতিদ্বন্দ্বী আৰু ইয়াৰ কাম-কাজ অচল কৰিবলৈ উদ্বিগ্ন আৰু আপীল আদালতে এই তথ্য লিপিবদ্ধ কৰে যে উত্তৰদাতাসকলে আপীলকাৰীৰ স্বাৰ্থ আৰু তেওঁলোকৰ আচৰণৰ প্ৰতি অসৎ আৰু পক্ষপাতিত্বমূলকভাৱে কাম কৰিছিল আৰু আপীলকাৰীৰ বিৰুদ্ধে বিভিন্ন গোচৰ ৰুজু কৰাটো নিন্দনীয়। তাৰ পিছত অধিবক্তাই ইকুইটিৰ/সমতা সুপৰিচিত নীতিৰ ওপৰত নিৰ্ভৰ কৰি কৈছিল যে "যিজনে ইকুইটিত/সমতাৰ বাবে আহিব তেওঁ পৰিষ্কাৰ হাত লৈ আহিব লাগিব", আৰু দাবী কৰিছিল যে তলৰ আদালতসমূহে আবেদনখন খাৰিজ কৰিব লাগিছিল কাৰণ উত্তৰদাতাসকল পৰিষ্কাৰ হাতে অহা নাছিল। এই বিতৰ্ক কেইবাটাও কাৰণত নাকচ কৰিব লাগিব। উত্তৰদাতাসকলে জব্দৰ বিৰুদ্ধে ন্যায্য সকাহ বিচৰা নাই। জব্দ কৰাটো অবৈধ বুলি দাবী কৰি তেওঁলোকে শ্বেয়াৰৰ/অংশৰ ওপৰত নিজৰ আইনী অধিকাৰ দাবী কৰিছে, আৰু তেওঁলোক শ্বেয়াৰৰ/অংশৰ আইনী মালিক হৈয়েই আছে। দ্বিতীয়তে, এই নীতিৰ অৰ্থ এইটো নহয় যে উত্তৰদাতাসকলৰ প্ৰতিটো অনুচিত আচৰণে তেওঁলোকক ন্যায্য/ন্যায়সঙ্গত সকাহ দিবলৈ অস্বীকাৰ কৰে। য'ত অভিযোগ কৰা আচৰণ গোচৰৰ বিষয়বস্তু আৰু গোচৰ কৰা ইকুইটিৰ/সমতাৰ সম্পৰ্কত অনুচিত আৰু অন্যায় হয়, তেনে ক্ষেত্ৰত এই নীতি প্ৰয়োগ কৰিব পাৰি। ভাৰতীয় কোম্পানী আইন, ১৯৫৬ৰ ধাৰা ৪০২ আৰু ২৩৭ ৰ অধীনত অযুক্তিকৰ কাৰ্য্যবিধি আৰু বিপৰীত উত্তৰদাতাসকলে আৰম্ভ কৰা অন্যান্য বিৰক্তিকৰ কাৰ্য্যবিধিসমূহত জব্দৰ অবৈধতা আৰু শুধৰণি সকাহৰ সৈতে কোনো সম্পৰ্ক নাই আৰু সকাহ অস্বীকাৰ কৰাৰ বৈধ ভিত্তি নহয়।

ফলত, আপীলসমূহ খাৰিজ কৰা হয়।খৰচৰ ক্ষেত্ৰত কোনো হুকুম নাথাকিব।

আবেদনসমূহ খাৰিজ।

অনুবাদক: খগেন্দ্ৰ কলিতা
পৰীক্ষক: মিতালী কটকী

DISCLAIMER

"The translated judgment in vernacular language is meant for the restricted use of the litigant to understand it in his/her language and may not be used for any other purpose. For all practical and official purposes, the English version of the judgment shall be authentic and shall hold the field for the purpose of execution and implementation".

“স্থানীয় ভাষালৈ অনূদিত এই ৰায় গোচৰত জড়িত পক্ষই বুজি পোৱাৰ উদ্দেশ্যে সীমিত ব্যৱহাৰৰ বাবেহে। ইয়াৰ বাদে অন্য ক্ষেত্ৰত অনূদিত ৰূপ ব্যৱহৃত নহব। সকলো ব্যৱহাৰিক আৰু বিভাগীয় কামৰ লগতে ৰায়ৰ কাৰ্য্যকৰীকৰণ আৰু ৰূপায়ণৰ ক্ষেত্ৰতো এই ৰায়ৰ ইংৰাজী সংস্কৰণটোৰেই সঠিক বিবেচিত হব।”